# 2022

## ASSAMESE

Paper : ASM-HC-4026

( অসমীয়া ভাষাৰ সমাহৰণ ঃ আৰ্যভাষা আৰু আৰ্য-ভিন্ন ভাষা )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) ভাৰতবৰ্ষত প্ৰৱেশ কৰা ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ ঠালটোক কি নামেৰে অভিহিত কৰা হয়?

(খ) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা-পৰিয়ালটোৰ নাম কি?

(গ) ইণ্ডো-ইৰাণীয় লোকসকলে নিজকে কি বুলি গৰ্ব অনুভৱ কৰিছিল?

(ঘ) আৰ্যসকল ভাৰতলৈ অহাৰ সময়ত কি গ্ৰন্থ লগত লৈ আহিছিল?

(ঙ) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশক কেইটা স্তৰত ভাগ কৰা হয়?

(চ) চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত উত্তৰ-অসম উপশাখাৰ এটা ভাষাৰ নাম লিখা।

(ছ) অসমীয়া ভাষাটো 'শৌৰসেণী আৰু মাগধী অপভ্ৰংশৰ মিশ্ৰণ' বুলি কোনগৰাকী ভাষাবিদে মন্তব্য কৰিছে?

(জ) কামৰূপৰ মানুহৰ ভাষা মধ্য-ভাৰতৰ ভাষাতকৈ অলপ বেলেগ বুলি চীনা পৰিব্ৰাজক হিউৱেন চাঙে কোন শতিকাত মত পোষণ কৰিছিল?

(ঝ) 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' শীৰ্ষক গ্ৰন্থখনৰ প্ৰণেতা কোন?

(ঞ) বাণীকান্ত কাকতিয়ে তেখেতৰ গৱেষণাৰ আধাৰত ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

(ট) খাছীভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(ঠ) বিৰিঞ্চি কুমাৰ বৰুৱাই জুলি, জুৰি, পুৰ আদি স্থানবাচক নামৰ অন্তত থকা শব্দাংশ কি ভাষা-পৰিয়ালৰ ভাষাৰ পৰা অহা বুলি অনুমান কৰিছে?

(ড) দ্ৰাবিড়ীয় ভাষা-পৰিয়ালৰ ভাষা এটাৰ নাম উল্লেখ কৰা।

(ঢ) উড়িয়া ভাষাৰ 'মণিসমানে' শব্দৰূপৰ অসমীয়া অৰ্থ কি?

(ণ) মাগধী গোষ্ঠীৰ একেবাৰে পশ্চিমৰ ভাষাটো কি?

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ তামৰ ফলিত ৰক্ষিত অসমীয়া ঠাইৰ নাম বুজোৱা দুটা শব্দ উল্লেখ কৰা।

(খ) কোন দুটা ভাষাক বাণীকান্ত কাকতিয়ে এক মান্য মাগধী অপভ্ৰংশৰ উপভাষা আখ্যা দিছে?

(গ) উপেন্দ্ৰনাথ গোস্বামীয়ে কামৰূপী (অসমীয়া) ভাষাটো "মূলতঃ দুটা প্ৰবাহৰ সমষ্টি" বুলি মন্তব্য কৰিছে। এই প্ৰবাহ দুটা কি কি?





(ঘ) আৰ্যসকলে অসমত বসতি স্থাপন কৰাৰ পূৰ্বে অসমত থকা দুটা ভাষা-পৰিয়ালৰ নাম লিখা।

(ঙ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

(চ) অসমীয়া ভাষাত শৌৰসেণী প্ৰাকৃতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ছ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা 'হৰতাল' আৰু 'ভেজাল' শব্দ দুটা কোন দুটা ভাষাৰ পৰা আহিছে?

(জ) পাৰছী ভাষাৰ পৰা অসমীয়ালৈ অহা দুটা শব্দৰ উদাহৰণ দিয়া।

৩। চমু টোকা লিখা (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) ভাৰতৰ আৰ্যভিন্ন ভাষা-পৰিয়াল

(খ) উদ্ভৱকালীন অসমীয়া ভাষাৰ উপাদানৰ নিদৰ্শন

(গ) সাহিত্যিক প্ৰাকৃত

(ঘ) কামৰূপী প্ৰাকৃত

(ঙ) মধ্যভাৰতীয় আৰ্যভাষা

(চ) অসমীয়া ভাষাত প্ৰাক্-বৈদিক উপাদান

(ছ) উত্তৰ-পূৰ্বাঞ্চলত অসমীয়া ভাষাৰ স্থিতি

(জ) বাণীকান্ত কাকতিৰ অসমীয়া ভাষা চৰ্চা

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া ভাষাৰ উদ্ভৱত প্ৰভাৱ বিস্তাৰ কৰা আৰ্যভিন্ন থলুৱা জনগোষ্ঠীসমূহৰ বিষয়ে এক সম্যক ধাৰণা দিয়া।

(খ) আৰ্যসকলে ক'ৰ পৰা, কেনেকৈ আৰু কোন সময়ত অসমলৈ প্ৰব্ৰজন কৰি অসমীয়া ভাষা সম্প্ৰদায়ৰ গঠন কৰিছিল, বিস্তাৰিতভাৱে লিখা।

(গ) অসমীয়া ভাষাৰ উদ্ভৱ মাগধী প্ৰাকৃতৰ পৰা হোৱা বুলি মন্তব্য কৰা ভাষাবিদসকলৰ উল্লেখ কৰি অসমীয়া ভাষাত মাগধী প্ৰাকৃতৰ উপাদান সম্পৰ্কে এক বস্তুনিষ্ঠ আলোচনা আগবঢ়োৱা।

(ঘ) মাগধী প্ৰাকৃতৰ বাহিৰে অন্য কি কি প্ৰাকৃতে অসমীয়া ভাষাৰ গঠনত প্ৰভাৱ পেলাইছে বুলি ভাষাবিদসকলে মন্তব্য কৰিছে? এইক্ষেত্ৰত তোমাৰ অভিমত ব্যক্ত কৰা।

(ঙ) নব্য-ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজা? এই স্তৰৰ ভাষাসমূহৰ সম্যক পৰিচয় দাঙি ধৰা।

(চ) অষ্ট্ৰিক ভাষা-পৰিয়ালৰ চমু পৰিচয় দাঙি ধৰি অসমীয়া ভাষাত এই পৰিয়ালৰ ভাষাৰ কি কি উপাদান পৰিলক্ষিত হয়, উদাহৰণসহ বৰ্ণনা কৰা।

(ছ) অসমীয়া ভাষাত তিব্বত-বৰ্মীয় ভাষা-পৰিয়ালৰ উপাদান সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(জ) দ্ৰাবিড় ভাষা-পৰিয়াল বুলিলে কি বুজা? অসমীয়া ভাষাত দ্ৰাবিড় পৰিয়ালৰ ভাষাৰ কি কি উপাদান পৰিলক্ষিত হয়, উল্লেখ কৰা।

(ঝ) অসমীয়া ভাষাৰ সৈতে ভোজপুৰী আৰু উড়িয়া ভাষাৰ সম্বন্ধ বিচাৰ কৰা।

(ঞ) সাম্প্ৰতিক অসমীয়া ভাষা বুলিলে কি বুজা? এই ভাষাৰ স্বৰূপ সম্পৰ্কে এক নাতিদীৰ্ঘ আলোচনা প্ৰস্তুত কৰা।

★★★